# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-09-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে অহা ২৯ ছেপ্তেম্বৰত অনুষ্ঠিত কৰিবলগীয়া স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ পদ আৰু মেট্ৰিক পৰ্যায়ৰ চালকৰ তৃতীয় বৰ্গৰ পদৰ লিখিত পৰীক্ষাৰ বাবে প্ৰৱেশ পত্ৰ অহা ১৬ ছেপ্তেম্বৰৰ পৰা প্ৰদান কৰা হ'ব। এই সন্দৰ্ভত আয়োগে প্ৰকাশ কৰা এখন জাননী অনুযায়ী ১৬ ছেপ্তেম্বৰৰ পুৱা ১১ বজাৰ পৰা অসম চৰকাৰৰ ৱেবছাইট www.assam.gov.in আৰু অসম মাধ্যমিক পৰিষদৰ ৱেবছাইট www.site.sebaonline.orgৰ জৰিয়তে প্ৰাৰ্থীসকলে প্ৰৱেশ পত্ৰসমূহ ডাউনল'ড কৰিব পাৰিব। লিখিত পৰীক্ষাৰ দিনা প্ৰাৰ্থীসকলে প্ৰৱেশ পত্ৰৰ লগতে আধাৰ কাৰ্ড, পান কাৰ্ড, ড্ৰাইভিং লাইচেন্স, ভোটাৰ কাৰ্ডকে ধৰি নিৰ্ধাৰিত ফটোযুক্ত পৰিচয় পত্ৰ দেখুওৱাব লাগিব। আয়োগে লগতে প্ৰৱেশ পত্ৰত সন্নিবিষ্ট হৈ থকা নীতি-নিৰ্দেশনাসমূহ প্ৰাৰ্থীসকলে মানি চলিব লাগিব বুলি নিৰ্দেশনাটোত উল্লেখ কৰিছে। উল্লেখযোগ্য যে ২৯ ছেপ্তেম্বৰৰ দিনা আগবেলা পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ পৰীক্ষা আৰু পাছবেলা দুপৰীয়া ডেৰ বজাৰ পৰা বিয়লি চাৰে ৪ বজালৈ মেট্ৰিক পৰ্যায়ৰ চালকৰ পদৰ বাবে পৰীক্ষা অনুষ্ঠিত হ'ব। সংশ্লিষ্ট কৰ্তৃপক্ষই দিয়া তথ্য অনুযায়ী স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ ৪ হাজাৰ ৫৫টা পদৰ বাবে ৫ লাখ ২৯ হাজাৰ ৯৮৯ গৰাকী প্ৰাৰ্থী আৰু চালকৰ ৪১৮টা পদৰ বাবে ২ লাখ ৪ হাজাৰ ৯৯১ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব।

০০০০০

কাইলৈ হ'বলগীয়া ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি পৰীক্ষাৰ বাবে প্ৰতিখন জিলা প্ৰশাসনে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে আইন শৃংখলাৰ দিশটোতো গুৰুত্ব আৰোপ কৰিছে। এই অনুসৰি যোৰহাট জিলাত অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ প্ৰথম পৰ্যায়ৰ প্ৰস্তুতিৰ বাবে নিয়োজিত পৰ্যবেক্ষকে আজি জিলাখনৰ বিভিন্ন পৰীক্ষা কেন্দ্ৰসমূহ পৰিদৰ্শন কৰে। এই সন্দৰ্ভত যোৰহাট আৱৰ্ত ভৱনৰ সভাকক্ষত জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক আৰু জিলা প্ৰশাসনৰ অন্যান্য বিষয়াসকলৰ পৰ্যবেক্ষকগৰাকীৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত পৰীক্ষা কেন্দ্ৰসমূহৰ সীমা, পৰীক্ষা কোঠা, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা, যাতায়াত ব্যৱস্থা ইত্যাদি বিষয়সমূহৰ পুংখানুপুংখ আলোচনা কৰা হয়। ইয়াৰ লগতে ষ্ট্ৰং ৰুমৰ নিৰাপত্তাৰ দৰে আইন শৃংখলাজনিত বিষয়ৰ সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়।

বাক্সা জিলাতো সুকলমে পৰীক্ষা অনুষ্ঠিত কৰিবৰ বাবে জিলা প্ৰশাসনে কেতবোৰ নিৰ্দেশনাৱলী জাৰি কৰিছে। জিলাখনৰ বিভিন্ন প্ৰান্তৰ ৪৫টা কেন্দ্ৰত অনুষ্ঠিত কৰিবলগীয়া পৰীক্ষাত প্ৰায় ২০ হাজাৰ পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। জিলাখনৰ দুটা সংবেদনশীল কেন্দ্ৰত জিলা প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা বুলি জানিবলৈ দিছে। নিয়াৰিকৈ পৰীক্ষা পৰিচালনা কৰিবৰ বাবে ফ্লায়িং স্কোৱাড আৰু ভ্ৰাম্যমান চিকিৎসা ব্যৱস্থা লোৱা হৈছে। উল্লেখযোগ্য যে পৰীক্ষা কেন্দ্ৰত মোবাইল ফোন, যিকোনো ইলেকট্ৰনিক সঁজুলি, ঘড়ী, ইলেকট্ৰনিক

পেন, স্কেনাৰ, ব্লুটুথ, এয়াৰফোন, মাইক্রফোন, কেলকুলেটৰ, পেনড্রাইভ আৰু অন্যান্য সংৰক্ষণ মাধ্যমৰ যন্ত্রসমূহ নিষিদ্ধ কৰাৰ লগতে কেন্দ্রসমূহৰ ৱাইফাই ব্যৱস্থাও বন্ধ থাকিব বুলি জিলা প্রশাসনে জানিবলৈ দিছে।

০০০০০

সাংসদ কামাখ্যা প্রসাদ তাছাই আজি যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্রতিষ্ঠানত এখন মাতৃবন উদ্বোধন কৰে। যোৱা ৫ জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি ভাৰতৰ প্রধানমন্ত্রীয়ে আৰম্ভ কৰা মাতৃ নামত এজোপা গছ অভিযানৰ অংশ হিচাপে বৰ্ষাৰণ্য প্রতিষ্ঠানটোৱে এই মাতৃবনখন তৈয়াৰ কৰি উলিয়াইছে। মুঠ ১২৫০ বৰ্গমিটাৰ মাটিকালিত ১৬ বিধ থলুৱা প্রজাতিৰ প্রায় ৩৫০ জোপা গছপুলিৰে মাতৃবনখনৰ আৰম্ভণি কৰা হৈছে।

০০০০০

অসম চৰকাৰে অহা ১৯ ছেপ্তেম্বৰত অৰুণোদয় তৃতীয় পৰ্যায়ৰ আঁচনিৰ অধীনত ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিৰ ১২ লাখ ৬০ হাজাৰ নতুন হিতাধিকাৰীক সামৰি ল'ব। তদুপৰি একেদিনাই ১৭ লাখ হিতাধিকাৰীলৈ নতুন ৰেচন কাৰ্ড প্রদান প্রক্রিয়া আৰম্ভ হ'ব। মুখ্যমন্ত্রী হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্রকাশ কৰি কয় যে এই দিনটো ৰাজ্যখনৰ উন্নয়নৰ দিশত দুটা ধৱজাবাহী পদক্ষেপৰ সূচনাৰে গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব।

০০০০০

দেশৰ অন্যান্য ঠাইৰ লগতে আজি ৰাজ্যৰ বিভিন্ন জিলাত ৰাষ্ট্রীয় আইন সেৱা প্রাধিকৰণৰ নিৰ্দেশমৰ্মে লোক আদালত অনুষ্ঠিত  হয়। মাজুলী জিলা আইন সেৱা প্রাধিকৰণ আৰু জিলা ন্যায়পালিকাৰ সহযোগত আজি জিলাখনৰ কেইবাখনো আদালতত লোক আদালত কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা আৰু সত্র ন্যায়াধীশৰ আদালত, মাজুলী জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালত আৰু কাৰ্যবাহী দণ্ডধীশৰ আদালতত এই লোক আদালত অনুষ্ঠিত হয়। এই কাৰ্যসূচীৰ দ্বাৰা নিষ্পত্তিৰ বাবে মুঠ এহেজাৰ ৮০ টা গোচৰ ধাৰ্য কৰা হৈছিল যদিও ৩৯৯ টা নিষ্পত্তি কৰা হয়। ইয়াৰ দ্বাৰা ১৮ লাখ ৭১ হাজাৰ ৫৯৮ টকা আহৰণ কৰা হয়। এই লোক আদালতত জিলা আৰু সত্র ন্যায়াধীশ, জিলা মুখ্য ন্যায়াধীশ, মহকুমা ন্যায়িক দণ্ডাধীশ আৰু জিলা আইন সেৱা প্রাধিকৰণৰ বিষয়ববীয়া উপস্থিত থাকে। এই আদালতত ফৌজদাৰী আপোচযোগ্য গোচৰ, মটৰ দুৰ্ঘটনা, যান-বাহন সম্পৰ্কীয় গোচৰ আৰু দেৱানী গোচৰো নিষ্পত্তি কৰা হয়।

০০০০০

বিশ্ব পৰ্যটন দিৱস উপলক্ষে ৰাজ্যৰ পৰ্যটন সঞ্চালকালয়ে কালচাৰ এণ্ড হেৰিটেজ শীৰ্ষক এটা অনলাইন ফটোগ্রাফী প্রতিযোগিতাৰ আয়োজন কৰিছে। ৰাজ্যখনৰ সংস্কৃতি আৰু ঐতিহ্যক প্রতিফলিত কৰিব পৰাকৈ আলোকচিত্র এই প্রতিযোগিতালৈ প্রেৰণৰ বাবে আহ্বান জনোৱা হৈছে। প্রতিগৰাকী প্রতিযোগীয়ে কমেও ১০ খন নিজে তোলা আলোকচিত্র পঠিয়াব লাগিব। এই প্রতিযোগিতাৰ প্রথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ হিচাপে ক্রমে ৫০ হাজাৰ, ৩০ হাজাৰ আৰু ২০ হাজাৰ টকাকৈ আগবঢ়োৱা হ'ব। প্রতিযোগিতাত যোগদানৰ শেষ দিন ২৩ ছেপ্তেম্বৰ। ইফালে সঞ্চালকালয়ে এই দিৱসৰ সৈতে সংগতি ৰাখি নেচাৰ এণ্ড ৱাইল্ডলাইফ শীৰ্ষক বিষয়ত ভিডিঅ'গ্রাফী প্রতিযোগিতাৰো আয়োজন কৰিছে। প্রতিযোগিতাৰ বাবে ৩ মিনিটৰ ভিতৰত হোৱাকৈ ভিডিঅ' পঠিয়াব লাগিব।

০০০০০

আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন অসমৰ ফুটবলাৰ টছেন বৰাৰ আজি পুৱতি নিশা ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। ভাৰতীয় দলৰ হৈ খেলা ফুটবলাৰ গৰাকী  ক্ৰীড়াপ্ৰেমী ৰাইজে অসমৰ মাৰাদনা হিচাপে অভিহিত কৰিছিল। আজি অসম অলিম্পিক সন্থাই এখন শোকসভাৰ আয়োজন কৰি ফুটবলাৰগৰাকীৰ  বিয়োগত শ্ৰদ্ধা জ্ঞাপন কৰে। এই কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী তথা সন্থাৰ সভাপতি সৰ্বানন্দ সোণোৱালো উপস্থিত থাকে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ফুটবলাৰগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। এটা বাৰ্তাত তেওঁ কয় যে, ভাৰতীয় ফুটবল দলক প্ৰতিনিধিত্ব কৰি অসমক গৌৰৱান্বিত কৰা ক্ৰীড়াবিদগৰাকীৰ বিয়োগ ৰাজ্যখনৰ বাবে অপূৰণীয় ক্ষতি। মুখ্যমন্ত্ৰীয়ে তেওঁৰ আত্মাৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

ooooo

সমাপ্ত